...ৰ পৰাই সম্পূৰ্ণ
...বাবে প্ৰধানমন্ত্ৰী.
...যাত্ৰীসকলে যাতে
...পায় তাৰ বাবে
গ্ৰহণ কৰা হ'ব।

...হ মন্ত্ৰী অমিত শ্বাহ


# অসমীয়া খবৰ

নিৰ্ভীক, নিৰপেক্ষ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ❐ যোৰহাট সংস্কৰণ ❐ মুঠ পৃষ্ঠা ১২

...ন নং ঃ ০৩৭৬ —২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ ত্ৰয়োদশ বছৰ সংখ্যা ২১৩ সোমবাৰ ২ আহাৰ ১৯৪৬ শক ১৭ জুন ২০২৪ চন ASOMIYA KHABAR JORHAT MONDAY 17 JUNE 2024 দাম ঃ




# ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ ৭৯ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন

## টেঙাখাতত চুতীয়া ছাত্ৰ সন্থাৰ ৰাভা দিৱস

আমাৰ খবৰ, টেঙাখাত, ১৬ জুন ঃ টেঙাখাত আঞ্চলিক চুতীয়া ছাত্ৰ সন্থাৰ উদ্যোগত ২০ জুনত দিনজোৰা কাৰ্যসূচীৰে কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা দিৱ পালন কৰিবৰ বাবে আয়োজন কৰিছে। টেঙাখাত সৰু অভয়পুৰীয়া প্ৰাথমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া এই দিৱসৰ কাৰ্যসূচী অনুসৰি পুৱা ৮ বজাত পতাকা উত্তোলন, ৮-৩০ বজাত শিল্পীগৰাকীৰ প্ৰতিচ্ছবিৰ সমুখত বন্তি প্ৰজ্বলন, পুষ্পাঞ্জলি অৰ্পণ, ৯-৩০ বজাৰপৰা ছাত্ৰ-ছাত্ৰীৰ মাজত বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰতিচ্ছবি অংকন, ১০-৩০ বজাৰপৰা বিষ্ণুপ্ৰসাদ ৰাভাৰ যিকোনো কবিতাৰ আবৃত্তি প্ৰতিযোগিতা,

ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৬ জুন ঃ 'অসমীয়া ভাষাৰ সুকীয়া মহিমা আছে, সুকীয়া যাদু আছে, য'ত এটা আখৰে এটা বাক্য প্ৰতিনিধিত্ব কৰিব পাৰে।' ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ৭৯ সংখ্যক প্ৰতিষ্ঠা দিৱসত মুখ্য অতিথি হিচাপে উপস্থিত থাকি নাগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য ড° সমুদ্ৰগুপ্ত কাশ্যপে আজি এইদৰে কয়। মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাকালৰ উপাধ্যক্ষ ড° লক্ষ্মীপ্ৰসাদ দত্তৰ স্মৃতিত 'অসমৰ অভিনৱ প্ৰতিৱেশীসকল' (Assam's Amazing Neighborhood) শীৰ্ষক বিষয়ত মননশীল বক্তৃতা প্ৰদান কৰি তেওঁ কয়—অসমীয়াৰ এটা বহু জাতিক, বহু ভাষিক চিনাকি আছে, যিয়ে অসম তথা উত্তৰ-পূৰ্বাঞ্চলক দেশৰ অন্য প্ৰান্ততকৈ পৃথক কৰে। মুখ্যদ্বাৰৰ পৰা গায়ন-বায়ন, এন চিচি, বিহু, ঝুমুৰ,' নেপালী বিহু, মিচিং বিহুৰে সভাগৃহলৈ আদৰণি জনাই অনা অনুষ্ঠানত ড° কাশ্যপে কয়—আমি প্ৰতিৱেশীসকল ইজনে-সিজনৰ ওপৰত নিৰ্ভৰশীল। সেয়া লাগিলে যাতায়াতৰ ক্ষেত্ৰতে হওক, অৰ্থনৈতিক নিৰ্ভৰশীলতাই হওক অথবা ভাষিক সম্পৰ্কই হওক। প্ৰতিৱেশীসকলৰ লগত হোৱা সম্পৰ্কই আমাক কিমান লাভান্বিত কৰিব পাৰে তথা আমি পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল হৈ যে উন্নতিৰ দিশত আগুৱাই যাব পাৰোঁ এই বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক জ্ঞান দিয়াটো অতি প্ৰয়োজনীয় বুলি মত প্ৰকাশ কৰি ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০-ৰ গুৰুত্ব আৰোপ কৰে। পুৱা পৰিচালনা সমিতিৰ সভাপতি অভিমন্যু বৰুৱাই পতাকা উত্তোলনেৰে আৰম্ভ কৰা অনুষ্ঠানত অধ্যাপিকা ড° চয়নিকা গোস্বামীয়ে মঙ্গলাচৰণৰ লগতে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে। অধ্যাপিকা ড° তৃষ্ণা দুৱৰা কলিতাই আঁতধৰা অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান উদ্বোধন কৰে বিচিপিএলৰ মুখ্য সাধাৰণ প্ৰবন্ধক অলক বৰুৱাই। উদ্বোধনী ভাষণ প্ৰসংগত বৰুৱাই কয়—শিক্ষাৰ ক্ষেত্ৰত মহাবিদ্যালয়খনে বিগত ৭৮ বছৰত বহুখিনি অগ্ৰগতি লাভ কৰিছে বুলি মত প্ৰকাশ কৰি মহাবিদ্যালয়খনে প্ৰতিটো দিশতে আগুৱাই যোৱাৰ যিধাৰা অব্যাহত ৰাখিছে তাৰ শলাগ লয়। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি নয়দাস্থিত জি এন আই অ' টিৰ সঞ্চালক ড° ভূপেন্দ্ৰ কুমাৰ সোমে কয়—আমি এনেকুৱা যুগত বাস কৰিছোঁ, যিটো সময়ত বিকাশৰ হাৰ সৰ্বকালৰে অধিক। তেওঁ কয়— বৰ্তমানৰ যুগত ব্যক্তিৰ প্ৰতিভাৰ আকাল নাই, কিন্তু নিয়োগ যোগ্যতাৰহে কিছু অভাৱ আছে। এই ক্ষেত্ৰত উচ্চ শিক্ষানুষ্ঠানসমূহে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰাটো অতি প্ৰয়োজনীয়। অনুষ্ঠানৰ আৰম্ভণিতে প্ৰতিষ্ঠা দিৱস পালন সমিতিৰ আহ্বায়িকা অধ্যাপিকা ড° চন্দনা গোস্বামীয়ে



স্বাগতম জনোৱা অনুষ্ঠানত মহাবিদ্যালয়ৰ সংগীত বাণীবদ্ধ ৰূপত উন্মোচন কৰা হয়। আজিৰ অনুষ্ঠানত নাগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য ড° সমুদ্ৰগুপ্ত কাশ্যপক মহাবিদ্যালয় পৰিচালনা সমিতিৰ প্ৰথমগৰাকী সম্পাদক অশ্বিনী চৰণ চৌধুৰীৰ স্মৃতিত 'অশ্বিনী চৰণ চৌধুৰী স্মাৰক বঁটা' প্ৰদান কৰাৰ লগতে মহাবিদ্যালয়খনৰ শ্ৰেষ্ঠ শিক্ষাৰ্থী বিদিশা মলিয়াক 'ড° লক্ষ্মীপ্ৰসাদ দত্ত স্মাৰক বঁটা' প্ৰদান কৰে। এই অনুষ্ঠানতে মহাবিদ্যালয়খনৰ বিষয়ত নিৰ্মিত তথ্যচিত্ৰ প্ৰদৰ্শন কৰা হয়। উল্লেখ্য যে, আজিৰ অনুষ্ঠানতে ডি এইছ এছ কানৈ মহাবিদ্যালয় আৰু শব্দৰূপা সংগীত বিদ্যালয়ৰ মাজত বুজাবুজি চুক্তি স্বাক্ষৰ কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° প্ৰিয় দেৱ গোস্বামী, শৈক্ষিক সমন্বয়ক ড° মৃদুল শৰ্মা, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° অনুপজ্যোতি ভৰালীৰ উপৰি ড° লক্ষ্মীপ্ৰসাদ দত্তৰ পৰিয়ালৰ হৈ ৰূপনন্দা দত্ত, ডিব্ৰুগড় চহৰৰ বহুকেইগৰাকী বয়োজ্যেষ্ঠ ব্যক্তিৰ লগতে ভালেসংখ্যক শিক্ষাসদী ব্যক্তি, মহাবিদ্যালয়ৰ প্ৰাক্তন তথা বৰ্তমানৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, শতাধিক ছাত্ৰ-ছাত্ৰী, অভিভাৱক, শুভাকাংক্ষীসকল উপস্থিত আছিল অনুষ্ঠানটোৰ সৈতে জড়িতসকলে বিবৃতিৰ জৰিয়তে জনাইছে।

## তেজপুৰ বিশ্ববিদ্যালয়ত স্বৰ্ণপদকসহ...

## ❐ লক্ষ্মী শৰ্মাৰ 'তেঁপাতৰ তিতাৰ...